# অসম আদিত্য

মাঘ, ১৯৪৭ শক ■ সোমবাৰ, ২৬ জানুৱাৰী, ২০২৬ ■ Asom Aditya, Dibrugarh, Monday, January 26, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটী




ভিষেক-সূৰ্যৰ বো

টি-২০ শৃং

ৰ্পটাৰ, ২৫ জানুৱাৰী ঃ টি-
তৰ্কবাণী জাৰি কৰি অৱশেষত
জিনিলে টীম ইণ্ডিয়াই। বিগত

নিৰ্বাচনৰ

হ'ব ৰাজ্য

দৈৰ্ঘ্যৰ উ

ৰ্পটাৰ, গুৱাহাটী, ২৫ জানুৱা

গণতন্ত্ৰ দিৱসত পৰশা কোঁৱৰলৈ 'কণ্ঠ সৌৰভ' সন্মান কানৈ কলেজৰ

## জে পি কানৈলৈ 'শিক্ষা শিৰোমণি' বঁটা

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৫ জানুৱাৰী ঃ** ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)-ৰ পৰিচালনা সমিতিৰ সদস্য তথা বিশিষ্ট সমাজকৰ্মী জ্যোতি প্ৰসাদ কানৈক মহাবিদ্যালয় পৰিয়ালে কাইলৈ 'শিক্ষা শিৰোমণি' সন্মান প্ৰদান কৰিব। লগতে গণৰাজ্য দিৱসৰ একেটা অনুষ্ঠানতে ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ অনুষ্ঠান কাৰ্যবাহী তথা ঘোষিকা পৰশা কোঁৱৰক 'কণ্ঠ সৌৰভ' সন্মান, জনপ্ৰিয় অনাতাঁৰ ঘোষিকা, শিক্ষয়িত্ৰী মৈত্ৰেয়ী ফুকনক 'সুৰীয়া কণ্ঠ' সন্মান আৰু কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা বিশিষ্ট সমাজকৰ্মী আহমদ আলী আয়ুবিক 'মানৱ বন্ধু' সন্মান প্ৰদান কৰিব। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই এক প্ৰেছ বিবৃতিত জনোৱা মতে মহাবিদ্যালয়ৰ উত্তৰণৰ দিশত নিৰৱিচ্ছিন্নভাৱে কাম কৰি ২৫ বছৰ অৰ্থাৎ কৰ্ম জীৱনৰ ৰূপালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰা অধ্যাপক-অধ্যাপিকা ক্ৰমে- ড০ লামখোলাল ডুঙ্গেল, ড০ মৃদুল শৰ্মা, ৰাজীৱ লোচন বৰা, ড০ সঞ্চিতা বৰুৱা, আদিত্য দাহাল, অদিতি কোঁৱৰ গগৈ, অনন্ত টেৰণক বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰা হ'ব। অনুষ্ঠানত মহাবিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই অনা অধ্যাপক ড০ অপূৰ্ব দত্ত আৰু ড০ অমিতাভ দলেক সম্বৰ্ধনা জনোৱা হ'ব লগতে মহাবিদ্যালয়ৰ আন কেইবাগৰাকী অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীক সম্বৰ্ধনা জনোৱা হ'ব। এই অনুষ্ঠানতে সমাজৰ বিভিন্ন দিশত নিৰন্তৰে কাম-কৰি সমাজলৈ বিশেষ বৰঙণি আগবঢ়োৱা ক্ৰমে- প্ৰাক্তন ছাত্ৰী, কৃতী শিক্ষয়িত্ৰী, সমাজকৰ্মী, সাংস্কৃতিক কৰ্মী বিউটী লেখাৰু শইকীয়া, বিশিষ্ট সাংস্কৃতিক কৰ্মী সুতাপা চৌধুৰী, বিশিষ্ট কবি, সাহিত্যিক মিনাক্ষী দাস বৰুৱা আৰু বিশিষ্ট কবি, সাহিত্যিক বিতুমণি গগৈক সম্বৰ্ধনা জনোৱা হ'ব।

## আৰ এছ এছৰ হিন্দু সন্মিলন

**ডিব্ৰুগড়, ২৫ জানুৱাৰীঃ** ডিব্ৰুগড় নগৰৰ পূৰ্বাঞ্চল হিন্দু আয়োজক সমিতিৰ উদ্যোগত জালান নগৰ বিদ্যালয়ৰ খেলপথাৰত আজি ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ শতবৰ্ষ পূৰ্ণ হোৱাৰ উপলক্ষে এখন হিন্দু সন্মিলন অনুষ্ঠিত হয়। সভাৰ প্ৰাৰম্ভতে বিশিষ্ট ব্যক্তিসকলে ভাৰতমাতাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰে। জাতীয় সংগীতেৰে আৰম্ভ হোৱা উক্ত সন্মিলনত ডিব্ৰুগড় বিভাগৰ বিভাগ প্ৰচাৰক সুবাস যোশীয়ে হিন্দুত্বৰ ওপৰত বৌদ্ধিক বক্তব্য প্ৰদান কৰে। তাৰ পিছতে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ এশবছৰীয়া বৰ্ণিল যাত্ৰাৰ বিষয়ে উল্লেখ কৰি ডিব্ৰুগড় জিলা সমিতিৰ সহকাৰী কাৰ্যবাহী মিঠুন দেৱনাথে ভাষণ প্ৰদান কৰে। আনহাতে, উক্ত সভাত আয়োজক সমিতিৰ সভাপতি জোন তালুকদাৰে পঞ্চ পৰিৱৰ্তনৰ ওপৰত পৰ্যালোচনা কৰি বক্তব্য ৰাখে। বিহু নৃত্য, ঝুমইৰ নৃত্য, গোৰ্খা সম্প্ৰদায়ৰ নৃত্যৰ লগতে বিভিন্নধৰণৰ সাংস্কৃতিক অনুষ্ঠান পৰিৱেশনেৰে সভাখন জীপাল কৰি তোলা পৰিলক্ষিত হয়। শেষত সকলোৱে সমস্বৰে ৰাষ্ট্ৰীয় গীত 'বন্দে মাতৰম' গাই সভাৰ সামৰণি মাৰে। উক্ত সভাত দুৰ্গা মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি কাঞ্চন চৌধুৰী, বিশিষ্ট ব্যৱসায়ী সৌৰভ গগৈৰ লগতে বহুকেইগৰাকী গণ্য-মান্য ব্যক্তি আৰু সহস্ৰাধিক ৰাইজ উপস্থিত থাকে।

অনুষ্ঠিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ কবিতা প্ৰতিযোগিতাত ডিব্ৰুগড়ৰ জ্যেষ্ঠ সাংবাদিক, বিজয়ীসকল অনলাইন

বন বিভাগৰ বি

## টিংখাঙত দি

**প্ৰতিবেদক, ৰাজগড়, ২৫ জানুৱাৰী ঃ** ডিব্ৰুগড় জিলাৰ টিংখাঙৰ বিভিন্ন ঠাইত অবৈধভাৱে বালি, পলস, মাটি আদি ব্যাপকভাৱে খনন কাৰ্য অব্যাহত থকাৰ অভিযোগ উত্থাপিত হৈছে। প্ৰাপ্ত অভিযোগ মতে অঞ্চলটোত দীৰ্ঘ দিন ধৰি অব্যাহত থকা খননৰ ফলত পুখুৰী সদৃশ দ দ গাঁতৰ সৃষ্টি হৈ আহিছে। এনে পুখুৰী সদৃশ গাঁতবোৰত সঘনে শোকাৱহ দুৰ্ঘটনা সংঘটিত হৈ বহু কেইগৰাকী লোকে অকালতে মৃত্যুক সাৱটি ল'ব লগা হৈছে। বিশেষকৈ মুকলি পথ সৃষ্টি হোৱা পৰিছে। অপৰিকল্পি সংঘটিত অঞ্চলটোৰ লোকে অ চলাই আহি

## চৌকিডিঙ্গী

**বিশেষ প্ৰতিবেদক, ডিব্ৰুগড়, ২৫ জানুৱা** জাষ্টিছ', 'ন্যায় আমাক লাগিবই', 'ঘৰ জ কৰা নহ'ব' আদি বিভিন্নধৰণৰ প্ৰতিবাদী হাতে প্লে' কাৰ্ড লৈ কালি চৌকিডিঙ্গী চা অসম আদিবাসী ছাত্ৰ সন্থা (আছা)ই তীব্ৰ কৰে। সদৌ অসম আদিবাসী ছাত্ৰ সন্থা ( জিলা সমিতিৰ উদ্যোগত আৰু ডিব্ৰুগড় আঞ্চলিক সমিতিৰ সহযোগত কোক কাৰিগাঁৱত সংঘটিত ঘটনাত আদিবাসী প ৰক্ষণাবেক্ষণ দিয়াত ব্যৰ্থ হোৱাৰ অ